# কীটনাশক দ্ৰব্য ব্যৱহাৰৰ নীতি নিৰ্দেশনা

কৃষিকৰ্মৰ লগত কীটনাশক ওতঃপ্ৰোত ভাৱে জড়িত। খেতিৰ দিহাৰ লগত এই ৰাসায়নিক দ্ৰব্যসমূহৰ নাম প্ৰায়ে উল্লেখ কৰা হয়। এই দ্ৰব্যসমূহ বজাৰত সহজলভ্য হোৱাৰ লগতে ব্যৱহাৰ কৰাটোও আমাৰ এক অভ্যাসত পৰিণত হৈছে। এই দ্ৰব্যসমূহ প্ৰয়োগ কৰোতে নীতে-নিৰ্দেশনা মানি নচলিলে হিতে বিপৰীতে হোৱাৰহে সম্ভাৱনা বেচি। কাৰণ কীটনাশক দ্ৰব্য মাত্ৰেই হ'ল মাৰাত্মক বিহ। দৰৱৰ বটল, টেমা বা বেগত চাৰিটা ৰং ব্যৱহাৰ কৰি তাৰ বিষাক্ত গুণ সম্পৰ্কে আভাষ দিয়া থাকে।

- ৰঙা ৰঙেৰে সৈতে মানুহৰ লাওখোলা আৰু হাড়ৰ ছবি - এইবিধ অতি বিষাক্ত দৰৱ।
- হালধীয়া ৰং - বিষাক্ত
- নীলা ৰং - সাধাৰণতে বিষাক্ত
- সেউজীয়া ৰং - কম বিষাক্ত

যি কোনো দৰব যি কোনো শস্য, কীট-পতঙ্গ, এন্দুৰ-নিগনি, অপতৃণ, শস্যকৃমি বা বেমাৰৰ লক্ষণৰ বিপৰীতে প্ৰয়োগ কৰিব নোৱাৰি। শাক-পাচলি আৰু কম দিনতে চপোৱা হয় কিন্তু ধান, কুঁহিয়াৰ আদি দৰৱ প্ৰয়োগ কৰাৰ বহুদিন পাচত চপোৱা বা খাবৰ বাবে ব্যৱহাৰ কৰা হয়। সেইদৰে কিছুমান দৰৱৰ স্থায়ীত্ব বহুদিনলৈ থাকে আৰু কিছুমানৰ বিষ গুণ মাত্ৰ এসপ্তাহমানহে থাকে। দৰৱ প্ৰয়োগ কৰাৰ আগতে শস্যত কি বিজুতি ঘটিছে তাক জানিবলৈ বা তাৰ বাবে কি দৰৱ কিমান পৰিমাণে দিব লাগিব তাক কৃষি বিজ্ঞানী, বিষয়া বা বিভাগীয় কৰ্মীৰ পৰা জানি লোৱা দৰকাৰ। দৰৱ কিনোতে সদায় তাৰ ব্যৱহাৰৰ বাবে ধাৰ্য্য সময়ৰ ম্যাদ (Expiry date) চাই ল'ব লাগে। ম্যাদ উকলি যোৱা দৰৱ ব্যৱহাৰ কৰিব নালাগে। দৰৱ ঘৰলৈ আনি আচুতীয়া ঘৰৰ ৰেক বা আলমাৰিত তলা লগাই বা ল'ৰা-ছোৱালী আৰু অন্য জীৱ-জন্তুৱে সহজতে ঢুকি নোপোৱাকৈ ওখ চাঙত ৰাখিব লাগে। দৰৱৰ বিষয়ে ঘৰৰ সকলোৱে অৱগত হোৱাটো ভাল। স্প্ৰে' মেচিনটো ভালেআছে নে নাই চাই ল'ব লাগে। গা-পা ধুবৰ বাবে আগতীয়াকৈ পানী, চাবোন আদি যুগুতাই ল'ব লাগে। স্প্ৰে কৰিবৰ বাবে আৱশ্যকীয় জোখত দৰৱ লৈ বাকীখিনি আগৰ লেবেল থকা পাত্ৰতে টানকৈ সাফৰ মাৰি সুৰক্ষিত কৰি ৰাখিব লাগে। দৰৱৰ মিশ্ৰণ হাতেৰে নুচুই মাৰি এডালেৰে ঘুটিব। স্প্ৰে' কৰা ব্যক্তিজনে হাতভৰি আবৃহ হোৱাকৈ হাত দীঘল চোলা আৰু দীঘল পেন্ট লগতে চকুত চশমা লগাই নাক, মুখত কাপোৰ মেৰিয়াই লোৱাটো ভাল।

দৰৱখিনি জুখি লোৱাৰ পিচত এটা সুকীয়া পাত্ৰত অলপ পানীৰ লগত মিহলাই স্প্ৰে' মেচিনত লাহে লাহে ঢালিব আৰু পিছতহে আৱশ্যকীয় হিচাবত পানী ভৰাব। দৰৱ দিয়াৰ বিষয়ে শস্যতলিত ফলক লগাব আৰু ওচৰ-চুবুৰীয়াক অৱগত কৰি সতৰ্ক কৰাটো প্ৰয়োজন। বৰষুণ, অতি টান ৰ'দ অথবা সজোৰে বতাহ বলি থকা অৱস্থাত দৰৱ দিয়া উচিত নহয়। মৃদু বতাহ বলি থাকিলে স্প্ৰে' কৰিব পাৰি কিন্তু বতাহৰ বিপৰীতে নগৈ বতাহৰ গতিৰ দিশতহে স্প্ৰে' কৰিব লাগে। স্প্ৰে' সদায় ৰাতিপুৱা বা গধূলিহে কৰা উচিত। কেতিয়াবা হঠাৎ নজ'লৰ ফুটা বন্ধ হ'লে মুখেৰে নুফুৰাই খৰিকাৰে বা ইয়াৰ অংশবোৰ খুলি পৰিষ্কাৰ কৰি ল'ব লাগে।

স্প্ৰে' কৰা থিক আগে আগে কোনো খাদ্য খাব নালাগে। স্প্ৰে' কৰি থাকোতে তামোল, চুৰট, চাদা বা চাহ আদি খোৱাটো হানিকৰ।

স্প্ৰে' কৰা হ'লে পথাৰত দৰৱৰ খালী টেমা বা অন্যান্য পেলনীয়া বস্তুবোৰ এৰি নথৈ পুতি পেলাব লাগে।

দৰৱৰ খালী টেমা অন্য বস্তু ৰাখিবৰ বাবে ব্যৱহাৰ কৰিব নালাগে। স্প্ৰে মেচিনটো পানীৰে পখালি নজ'লটো পৰিষ্কাৰ পানীৰে ধুব লাগে। ব্যৱহাৰ কৰা কাপোৰ-কানি আৰু অন্য যাৱতীয় সা-সঁজুলিবোৰো ধুই পখালি ৰ'দত শুকুৱাই

স্প্ৰেয়াৰৰ লগতে আচুতীয়াকৈ ৰাখিব লাগে। গা-পা ভালদৰে চাবোন আৰু কুহুমীয়া পানীৰে ধুই কিছু সময় বিশ্ৰাম ল'ব লাগে আৰু তাৰ পিছতহে খোৱা খাদ্য গ্ৰহণ কৰিব লাগে।

কীটনাশক দ্ৰব্য প্ৰয়োগ কৰোতে আকস্মিকভাৱে বা দুৰ্ঘটনাবশত কোনো ব্যক্তি আক্ৰান্ত হ'লে ততাতৈয়াকৈ চিকিৎসকৰ পৰামৰ্শ ল'ব লাগে। চিকিৎসাৰ পলম হ'লে ৰোগীক তাৎক্ষণিক চিকিৎসা (First-Aid) দিয়া উচিত আৰু লগে লগে চিকিৎসকৰ কাষ চাপিব লাগে। তাৎক্ষণিক চিকিৎসা সম্পৰ্কে তলত উল্লেখ কৰা হ'ল।

(ক) কীটনাশক দ্ৰব্য চকুত পৰিলে চকু খোলা অৱস্থাত ৰাখ ঠাণ্ডা পানীৰে ভালকৈ ধুব লাগে আৰু চকু চিকিৎসকৰ পৰামৰ্শ লোৱা বাঞ্ছনীয়।

(খ) কীটনাশক দ্ৰব্য শ্বাস-প্ৰশ্বাসত শৰীৰৰ ভিতৰলৈ সোমালে পিন্ধা কাপোৰ আদি ঢিলা কৰি ৰোগীক মুকলি বতাহত উশাহ ল'বলৈ দিব লাগে। যদি উশাহ লোৱা বন্ধ হয় তেতিয়া কৃত্ৰিমভাৱে উশাহ লোৱাৰ ব্যৱস্থা কৰিব লাগে। ৰোগীৰ মাংসপেশী কোচ খালে ৰোগীক আন্ধাৰ কোঠাত ৰাখিব লাগে।

(গ) কীটনাশক দ্ৰব্য পেটলৈ গ'লে ৰোগীক বমি কৰাব লাগে। দৰকাৰ হ'লে মুখত আঙুলি ভৰাই বমি কৰাব আৰু সৰহকৈ কুহুমীয়া পানী খুৱাব। অচেতন অৱস্থাত ৰোগীক বমি কৰাবলৈ চেষ্টা নকৰিব আৰু তৎক্ষণাত চিকিৎসকৰ পৰামৰ্শ ল'ব।

(ঘ) কীটনাশক দ্ৰব্য প্ৰয়োগ কৰা বিভিন্ন শস্য, ফল-মূল আৰু শাক-পাচলি আদি ভালদৰে ধুই বা ৰান্ধিহে খাব লাগে। কেইটামান উপায় অৱলম্বন কৰি কিছু পৰিমানে হ'লেও এইবোৰ খাদ্য সামগ্ৰীৰ পৰা কীটনাশকৰ অৱশিষ্ট আতৰাব পৰা যায়।

- চাউল, দাইল আদি সিজোৱাৰ ফলত এই ৰাসায়নিক বিষক্ৰিয়া কিছু কমে।
- ফল-মূলবোৰ ব্যৱহাৰৰ আগতে অকণমান খোৱা চ'ডাৰে সৈতে ভালকৈ ধুলে দৰবৰ বিষক্ৰিয়া কে।
- শাক-পাচলিবোৰ ধুই ৰন্ধাৰ আগতে অকণমান ভিনেগাৰ ছটিয়ালে বিষক্ৰিয়া কমে।
- বাকলিযুক্ত শাক-পাচলি বাকলি গুচাই খোৱা বা ৰন্ধা ভাল।
- ভাপত সিজালেও দৰৱৰ অৱশিষ্ট কমে।
- ফল-মূলবোৰ নিমখ মিহলি কুহুমীয়া পানীত ধুলে ভাল নাইবা নিমখ মিহলি পানীত চাৰি-পাঁচ মিনিট তিয়াই ৰাখি পিছত ভালকৈ ধুই ল'ব লাগে।

পৰাপক্ষত খেতিত দৰৱ ব্যৱহাৰৰ পৰা বিৰত থকাই ভাল। অন্য কৌশল অৱলম্বন কৰি শস্য ৰখাৰ ব্যৱস্থা কৰিব লাগে। দৰৱ দিয়াটো একান্ত আৱশ্যক হৈ পৰিলে সকলো দিশ চালি জাৰি চাইহে বিজ্ঞানসন্মত ভাৱে শস্যত দৰৱ ব্যৱহাৰ কৰা উচিত।

*****

**(উৎস ঃ অসম কৃষি বিশ্ববিদ্যালয়, যোৰহাট - ৭৮৫ ০১৩)**